## নৈনে মহাবিদ্যালয় অসমীয়া বিভাগ আৰু লোকসংস্কৃতি বিভাগৰ যুটীয়া উদ্যোগত
### জীপাল সাংস্কৃতিক গোষ্ঠীৰ সহযোগত
## "তিৱা কৃষ্টি সংৰক্ষণ আৰু শৈক্ষিক সজাগতা শিৱিৰ"
### স্থান : ঠেংকুছি গাঁও, কন্দলী; নগাঁও (অসম)
### দিনাংক : ৫ জুন, ২০১৭

আজি ইংৰাজী ৫ জুন, ২০১৭ তাৰিখে নৈনে মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু লোকসংস্কৃতি বিভাগৰ যুটীয়া উদ্যোগত আৰু জীপাল সাংস্কৃতিক গোষ্ঠীৰ সহযোগত কন্দলীৰ ঠেংকুছি প্ৰাথমিক বিদ্যালয় প্ৰাংগনত "তিৱা কৃষ্টি সংৰক্ষণ আৰু শৈক্ষিক সজাগতা শিৱিৰ" এটি অনুষ্ঠিত হয়। কাৰ্যক্ৰম অনুসৰি পুৱা ৮.৩০ বজাত বৃক্ষ ৰোপনৰ শুভাৰম্ভ কৰে প্ৰাথমিক বিদ্যালয়খনৰ প্ৰধান শিক্ষক কাহিৰাম বৰদলৈয়ে। পুৱা ৯.০০ বজাত স্মৃতি তৰ্পণ কৰে ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰীতা শৰ্মাই। পুৱা ১১.০০ বজাত কন্দলী অঞ্চলৰ ১০ গৰাকী জ্যেষ্ঠ নাগৰিকক বিভাগৰ ফালৰ পৰা সম্বৰ্ধনা জনোৱা হয় আৰু এটি আদৰণী সংগীতেৰে মূল আলোচনা সভা অনুষ্ঠিত হয়। ভুৱন গগৈ দেৱৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা প্ৰসংগত অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক বসন্ত বৰাই সাম্প্ৰতিক সময়ত জনগোষ্ঠীয় সংস্কৃতিৰ প্ৰসাৰ আৰু সংৰক্ষণৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিবলৈ সজাগতা সৃষ্টিৰ বাবে সভাখন আহ্বান কৰাৰ বুলি মন্তব্য কৰে। বিশিষ্ট অতিথি ৰূপে সাংস্কৃতিক কৰ্মী সুখেন বৰদলৈয়ে তিৱাসকলৰ ইতিহাস প্ৰসিদ্ধ ৰীতি-নীতি, খ্যাদ্যাভ্যাস,সাজ-পাৰ আৰু সামাজিক পৰম্পৰা সম্পৰ্কে গীতে-মাতে বক্তব্য প্ৰদান কৰি সকলোকে মুগ্ধ কৰি তোলে আৰু পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱত জনগোষ্ঠীটোৰ সংস্কৃতি বিকৃত নকৰিবলৈ নৱ প্ৰজন্মক আহ্বান জনায়। নৈনে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ৰুণু দেৱী প্ৰমুখ্য মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল, ছাত্ৰ একতা সভাৰ বিষয় ববীয়াসকল, ছাত্ৰ-ছাত্ৰীসকল,ঠেংকুছি প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী ,জীপাল সাংস্কৃতিক গোষ্ঠীৰ বিষয়-ববীয়াসকলৰ উপৰি কন্দলী অঞ্চলৰ গণ্য মান্য ব্যক্তিসকলৰ উপস্থিতিয়ে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰা অালোচনা সভাত এটি বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।





